**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-07-2024
**Time :** 1845 Hrs

***Assamese Evening Bulletin***
***Headlines***

-----------------------

১। বাংলাদেশত চলি থকা হিংসাত্মক প্ৰতিবাদৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় ছাত্ৰ-ছাত্ৰীৰ দেশলৈ উভতনি যাত্ৰা অব্যাহত। অসম আৰু ত্ৰিপুৰা সীমান্তৰ স্থলপথেৰে বুজন সংখ্যক বিদ্যাৰ্থীৰ প্ৰত্যাৱৰ্তন।

২। আজিৰে পৰা নতুন দিল্লীৰ ভাৰত মণ্ডপমত বিশ্ব ঐতিহ্য সমিতিৰ ৪৬ সংখ্যক অধিৱেশন। চৰাইদেউ মৈদামক্ষেত্ৰক বিশ্ব ঐতিহ্য তালিকাত স্থান লাভৰ বাবে ভাৰতবৰ্ষৰ মনোনয়ন।

৩। ৰাজ্যৰ বিভিন্ন ঠাইত আৰকাৰী আৰু আৰক্ষী বিভাগৰ অবৈধ সুৰা জব্দ আৰু বিনষ্টকৰণ। ***আৰু***

৪। মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ভাৰতৰ- ইউ এ ইৰ বিৰুদ্ধে ৭৮ ৰানত জয়লাভ।

০০০০০০

বাংলাদেশত চলি থকা হিংসাত্মক প্ৰতিবাদ কাৰ্যসূচীৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় ছাত্ৰ-ছাত্ৰী দেশলৈ উভতনি যাত্ৰা অব্যাহত আছে। বাংলাদেশৰ ঢাকা, মানিকগঞ্জ, বগুৰাকে ধৰি বিভিন্ন চিকিৎসা মহাবিদ্যালয়ত অধ্যয়নৰত ধুবুৰী জিলাৰ ছাত্ৰ-ছাত্ৰীসকলো সুকলমে ঘৰলৈ প্ৰত্যাৱৰ্তন কৰিছে। আজিলৈকে ধুবুৰী আৰু গৌৰীপুৰত মুঠ ছজন ছাত্ৰ-ছাত্ৰীক ভাৰতীয় উচ্চায়ুক্তৰ উদ্যোগত ঘুৰাই অনা হৈছে। একেদৰে শিৱসাগৰ জিলাৰো এজন ছাত্ৰ হিংসাত্মক পৰিস্থিতিৰ মাজেৰে ঘুৰি আহিবলৈ সমৰ্থ হৈছে। উল্লেখযোগ্য যে, শেহতীয়াকৈ ৰাজ্যৰ ১৫ জনীয়া ছাত্ৰ-ছাত্ৰীৰ এটা দল বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সহযোগত সুকলমে দেশলৈ ঘুৰি আহিবলৈ সমৰ্থ হৈছে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে দিয়া তথ্য অনুযায়ী ঢাকাত থকা ভাৰতীয় উচ্চায়ুক্তৰ লগতে চট্টগ্ৰাম, ৰাজশ্বাহী, চিলেট আৰু খুলনাত থকা সহকাৰী উচ্চায়ুক্তই ভাৰতীয় নাগৰিকসকলক দেশলৈ ঘূৰি অহাত সহায় কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে দিয়া বিবৃতি অনুযায়ী স্থানীয় কৰ্তৃপক্ষৰ সহযোগত উচ্চায়ুক্ত আৰু সহকাৰী উচ্চায়ুক্তসকলে ভাৰত-বাংলাদেশৰ সীমান্ত পাৰ কৰি ভাৰতীয় নাগৰিক সকলৰ নিৰাপদ যাত্ৰা সুনিশ্চিত কৰিছে। ইয়াৰ বাবে মন্ত্ৰালয়ে সামৰিক বিমান পৰিবহণ, বন্দৰ আৰু সীমা সুৰক্ষা বাহিনীৰ কৰ্তৃপক্ষৰ সহযোগিতাত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে।

উল্লেখযোগ্য যে ৰাজ্যৰ ভাৰত-বাংলাদেশ সীমান্তৰ কৰিমগঞ্জ সুতাৰকান্দি সংহত পহৰা চকীৰ জৰিয়তেও ৪১ গৰাকী ভাৰতীয় ছাত্ৰ-ছাত্ৰী বাংলাদেশৰ পৰা স্বদেশলৈ উভতি আহিছে। কৰিমগঞ্জ জিলা প্ৰশাসনে পৰিস্থিতি পৰ্যবেক্ষণ কৰিবলৈ আৰু বাংলাদেশৰ পৰা অহা ভাৰতীয় ছাত্ৰ-ছাত্ৰীসকলৰ বিষয়টোক তদাৰক কৰিবলৈ এজন দণ্ডাধীশক দায়িত্ব অৰ্পণ কৰিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সন্ধিয়া ৭ বজাত নতুন দিল্লীৰ ভাৰত মণ্ডপমত বিশ্ব ঐতিহ্য সমিতিৰ ৪৬ সংখ্যক অধিৱেশন মুকলি কৰিব। ভাৰতত প্ৰথমবাৰৰ বাবে আয়োজন কৰা বিশ্ব ঐতিহ্য সমিতিৰ এই অধিৱেশনখন ৩১ জুলাইত সামৰণি পৰিব। এই বাৰ্ষিক অধিৱেশনত বিশ্ব ঐতিহ্যৰ সৈতে জড়িত সকলো বিষয়ৰ আলোচনা লগতে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত হ'বলগীয়া স্থানসমূহৰ বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। বৈঠকৰ সময়ছোৱাত বিশ্ব ঐতিহ্য তালিকাত নতুন স্থান মনোনীত কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে, ভাৰতবৰ্ষই আহোম শাসন কালৰ গৌৰৱোজ্জল ঐতিহ্য চৰাইদেউ মৈদামক্ষেত্ৰক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত স্থান লাভৰ বাবে মনোনয়ন কৰিছে। এইবাৰৰ অধিবেশনত এই বিষয়তো সিদ্ধান্ত  গ্ৰহণ কৰা হ'ব। ৰাজ্যৰ সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই এই অধিবেশনত অসমক প্ৰতিনিধিত্ব কৰিব। ইয়াৰ উপৰি অধিৱেশনত বৰ্তমানৰ ১২৪টা বিশ্ব ঐতিহ্য ক্ষেত্ৰ সম্পদ সংৰক্ষণৰ স্থিতিৰ প্ৰতিবেদন, আন্তঃৰাষ্ট্ৰীয় সাহায্য আৰু বিশ্ব ঐতিহ্য পুঁজিৰ ব্যৱহাৰ আদিৰ বিষয়েও আলোচনা কৰা হ'ব। অধিৱেশনত ১৫০ খন দেশৰ দুহেজাৰতকৈও অধিক আন্তঃৰাষ্ট্ৰীয় আৰু দেশীয় প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব।

০০০০০০

অসম লোকসেৱা আয়োগৰ কৃষি উন্নয়ন বিষয়া নিযুক্তি কেলেংকাৰিৰ গোচৰৰ কাইলৈ বিশেষ ন্যায়াধীশৰ আদালতে ৰায় দিব। দীৰ্ঘদিন ধৰি চলা শুনানিৰ অন্তত কাইলৈ পুৱা চাৰে ১০ বজাত গোচৰটোৰ ৰায়দানৰ দিন ধাৰ্য কৰা হৈছে। গোচৰটোত মুঠ ৪৩জন অভিযুক্তৰ নাম সাঙুৰ খাই আছে। উল্লেখ্য যে ৰাকেশ কুমাৰ পাল অসম লোকসেৱা আয়োগৰ অধ্যক্ষ হৈ থকাৰ সময়ত কৃষি উন্নয়ন বিষয়া নিযুক্তিৰ নামত ধনৰ লেনদেন হোৱাৰ অভিযোগ তুলি ২০১৭ চনত এগৰাকী প্ৰাৰ্থীয়ে ভঙাগড় থানাত এজাহাৰ দাখিল কৰিছিল। এই সন্দৰ্ভত ৰুজু হোৱা গোচৰৰ ভিত্তিতেই ৰাকেশ পালসহ কেইবাজনো অভিযুক্তক ভঙাগড় আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল আৰু দীৰ্ঘদিন ধৰি আদালতে বিভিন্ন পক্ষৰ ভাষ্য গ্ৰহণ কৰাৰ অন্তত কাইলৈ গোচৰটোৰ ৰায় দিব।

০০০০০০

ৰাজ্যৰ বিভিন্ন ঠাইত আৱকাৰী আৰু আৰক্ষী বিভাগে অবৈধ সুৰা জব্দ কৰাৰ লগতে বিনষ্ট কৰে। বাক্সা জিলাৰ অন্তৰ্গত শিমলা আৰক্ষী থানাই জব্দ কৰা বৃহৎ পৰিমাণৰ অবৈধ সুৰা হোজোৱাৰ পতানৈৰ পাৰত ৰাইজ আৰু বিভিন্ন দল সংগঠনৰ  উপস্থিতিত নষ্ট কৰা হয়। উল্লেখযোগ্য যে চলিত বৰ্ষত শিমলা আৰক্ষী থানাই জিলাখনৰ বিভিন্ন স্থানৰ পৰা আঢ়ৈ লাখতকৈ অধিক টকাৰ সুৰা জব্দ কৰিছিল। একেদৰে ওদালগুৰিতো আৱকাৰী অধীক্ষকৰ তত্বাৱধানত প্ৰায় ৩ কোটি মূল্যৰ অবৈধ সুৰা পৌৰসভাৰ দাম্পিং গ্ৰাউণ্ডত নষ্ট কৰা হয়। অবৈধ সুৰাৰ এই জব্দ আৰু নষ্ট প্ৰক্ৰিয়া সন্দৰ্ভত ওদালগুৰি আৰক্ষীয়ে মুঠ ৫৫ টা গোচৰ পঞ্জীয়ন কৰিছে।

০০০০০০

কৰিমগঞ্জকে ধৰি ৰাজ্যৰ ৩ খন জিলাত ঔদ্যোগিক উদ্যান নিৰ্মাণৰ প্ৰকল্পত কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনাইছে। কৰিমগঞ্জত পাথাৰকান্দি অঞ্চলত এখন উদ্যান গঢ়ি তোলা হ'ব। পাথাৰকান্দিৰ  বিধায়ক কৃষ্ণেন্দু পালে এই সন্দৰ্ভত চৰকাৰৰ পদক্ষেপৰ শলাগ লৈ কয় যে, এই প্ৰকল্পৰ ফলত অঞ্চলটোত ৫ ৰ পৰা ৭ হাজাৰ নিবনুৱা যুৱক যুৱতীয়ে কৰ্ম সংস্থাপন লাভ কৰিব। উদ্যানখনে অঞ্চলটোৰ অৰ্থনীতিৰ ব্যাপক পৰিৱৰ্তন ঘটাব বুলি বিধায়কজনে মন্তব্য কৰে। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰে উত্তৰ পূৰৰ মুঠ ১২ টা স্থানত ঔদ্যোগিক উদ্যান প্ৰকল্পৰ অনুমোদন জনাইছে।

০০০০০০

বিশিষ্ট লেখক সাংবাদিক পবিত্ৰ বৰাক আজি অসম সাহিত্য সভাই জয়ছিং হান্সে স্মাৰক বঁটা প্ৰদান কৰে। এই উপলক্ষে কাৰ্বি আংলং জিলা সাহিত্য সভাৰ সহযোগত আয়োজন কৰা এটা অনুষ্ঠানত সাহিত্য সভাৰ সভাপতি সূৰ্যকান্ত হাজৰিকাই পৌৰহিত্য কৰে। বঁটা বিতৰণী অনুষ্ঠানত বঁটাপ্ৰাপক পবিত্ৰ বৰাক এটা গ্ৰন্থৰ টোপোলা, জাপি আৰু প্ৰশস্তিপত্ৰৰে প্ৰাক্তন সভাপতি ৰংবং টেৰাঙে সম্বৰ্ধনা জনায়। ইয়াৰ লগতে বিশিষ্ট সাহিত্যিকগৰাকীয়ে জয়ছিং হান্সে স্মাৰক বঁটাৰ ইতিবিত্তৰ লগতে ইতিপূৰ্বে এই বঁটা লাভ কৰাসকলক চমু পৰিচিতি সম্বলিত স্মৰণিকা উন্মোচন কৰে। অনুষ্ঠানত বিশিষ্ট সাংবাদিক প্ৰশান্ত ৰাজগুৰুয়ে অসম সাহিত্য সভাৰ মাহেকীয়া পত্ৰিকাখন উন্মোচন কৰে। অনুষ্ঠানত বিধায়ক বিদ্যাছিং ইংলেং, কাৰ্বি সাহিত্য সভাৰ সভাপতি কামছিং হান্সেকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি লক্ষীনন্দন বৰা সোঁৱৰণী তৃতীয় স্মাৰক বক্তৃতা মৰিগাওঁ জিলাৰ জাগীৰোড মহাবিদ্যালয়ত অনুষ্ঠিত হয়। ড° লক্ষীনন্দন বৰা স্মাৰক ন্যাসৰ উদ্যোগত অনুষ্ঠিত বক্তৃতা অনুষ্ঠানটো বিশিষ্ট তিৱা নৃত্য শিল্পী নাদিৰাম দেউৰীয়ে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে। মৰিগাও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাই স্মাৰক বক্তৃতাৰ আৰম্ভণি বক্তৃতা প্ৰদান কৰাৰ পাছত শংকৰী সাহিত্যৰ বিশিষ্ট গৱেষক ড° সঞ্জীৱ কুমাৰ বৰকাকতিয়ে লক্ষীনন্দন বৰা কৃতি বিষয়ত মূল ভাষণ প্ৰদান কৰে। সভাত কটন বিশ্ববিদ্যালয়ৰ শ্ৰেষ্ঠ স্নাতক আৰু স্নাতকোত্তৰ ছাত্ৰ-ছাত্ৰী দুজনক ড° লক্ষীনন্দন বৰা পাৰদৰ্শিতা বঁটা প্ৰদান কৰা হয়।

০০০০০০

সদৌ অসম টুৰিষ্ট গাইড এছোছিয়েছনৰ প্ৰথম বাৰ্ষিক অধিবেশন আজি শিৱসাগৰত দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। অনুষ্ঠানত ৰাজ্যৰ লগতে চুবুৰীয়া ৰাজ্যসমূহৰ ভালেসংখ্যক টুৰিষ্ট গাইডে অংশগ্ৰহণ কৰে। শিৱসাগৰ টুৰিষ্ট গাইডৰ সভাপতি গৌতম হীৰাই আজিৰ অনুষ্ঠানে ৰাজ্যৰ পৰ্যটন ক্ষেত্ৰত এই অধিবেশনৰ কাৰ্যসূচীয়ে সুদূৰপ্ৰসাৰি প্ৰভাৱ পেলাব বুলি মন্তব্য কৰিছে। অধিবেশনত শিৱসাগৰৰ বিভিন্ন পৰ্যটন স্থলীসমূহৰ গাইডসকলক বিতং বৰ্ণনা দিয়াৰ লগতে তথ্যচিত্ৰ আৰু পৰ্যটন সম্পৰ্কীয় তথ্য প্ৰদান কৰা হয়। এই উপলক্ষে আয়োজিত মুকলি সভাত বিশিষ্ট প্ৰকৃতিবিদ যাদৱ পায়েঙকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

সদৌ অসম কোচ ৰাজবংশী উন্নয়ন পৰিষদৰ সৌজন্যত ঢকুৱাখনা জিলা সন্মিলনীৰ সহযোগত আয়োজিত কোচ ৰাজবংশী জনগোষ্ঠীয় নৃত্য গীতৰ ৭ দিনীয়া কৰ্মশালাৰ আজি সামৰণি পৰে। মৰনৈ গাওঁ পঞ্চায়তত কাৰ্যালয়ত অনুষ্ঠিত সামৰণি অনুষ্ঠানৰ কাৰ্যসূচীত বীৰ চিলাৰায়ৰ প্ৰতিমুৰ্তিত সদৌ অসম কোচ ৰাজবংশী উন্নয়ন পৰিষদৰ সদস্য ধৰণী বৰুৱাই মাল্যাৰ্পন কৰে। অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি বিধায়ক নৱ কুমাৰ দলে এনে নৃত্য গীতৰ কৰ্মশালাই জাতীয় কৃষ্টিৰ বিকাশত সহায়ক হ'ব বুলি উল্লেখ কৰে। ৭ দিনীয়া কৰ্মশালাত কোকৰাঝাৰৰ শিল্পী দিলিপ ৰয়, বঙাইগাওঁৰ ৰশ্মি দাসৰ নেতৃত্বত কোচবিহাৰ, কোকৰাঝাৰ আৰু বঙাইগাওঁৰ পৰা অহা এটা অভিজ্ঞ শিল্পীৰ দলে ডেৰ শতাধিক প্ৰশিক্ষাৰ্থীক প্ৰশিক্ষণ প্ৰদান কৰে। প্ৰশিক্ষাৰ্থীসকলে কৰ্মশালাৰ সামৰণি উপলক্ষে ৩ টাকৈ ভিন্ন শৈলী কোচ ৰাজবংশী নৃত্য পৰিবেশন কৰে।

০০০০০০

সদৌ তিৱা ছাত্ৰ সন্থাৰ উদ্যোগত জাগীৰোডৰ কলা মন্দিৰত তিৱা জাতীয় অভিৱৰ্তন অনুষ্ঠিত হয়। তিৱা জাতীয় সমস্যা সন্দৰ্ভত অসম চৰকাৰৰ ভূমিকা বিষয়ত অভিৱৰ্তনত আলোচনা কৰা হয়। বিশিষ্ট তিৱা সাহিত্যিক মিলেশ্বৰ পাটৰে আদৰণি ভাষণ প্ৰদান কৰা অভিৱৰ্তনখনত তিৱা ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ৰিমল আমছিয়ে নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে। অভিৱৰ্তনত তিৱা স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ আৰু কাৰ্যবাহী সদস্য প্ৰণৱজ্যোতি মছৰঙে আমন্ত্ৰিত অতিথি হিচাপে বক্তব্য আগবঢ়ায়। অভিৱৰ্তনত তিৱা জনগোষ্ঠীৰ ৰাজনৈতিক, আৰ্থসামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক আদি বিভিন্ন বিষয়ত পৰ্যালোচনা কৰি অনাগত দিনত কাৰ্যপন্থা সম্পৰ্কত সিদ্ধান্ত গ্ৰহণ কৰা হয়।

০০০০০০

মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি ভাৰতে- ইউ এ ইক ৭৮ ৰানত পৰাস্ত কৰে। শ্ৰীলংকাৰ ডাম্বুলাত অনুষ্ঠিত খেলখনত ইউ এ ইএ টছত জিকি ভাৰতক বেটিঙৰ বাবে আমন্ত্ৰণ জনায়। ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেট হেৰুৱাই ২০১ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ অধিনায়ক হৰমনপ্ৰীত কৌৰে ৬৬ ৰান আৰু উইকেট কিপাৰ ৰিছা ঘোষে ৬৪ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ২০২ ৰাণৰ বিজয় লক্ষ্য অনুসৰণ কৰি ইউ এ ইএ নিৰ্ধাৰিত ২০ অভাৰত ৭ টা উইকেট হেৰুৱাই ১২৩ ৰানহে কৰিবলৈ সমৰ্থ হয়। উল্লেখযোগ্য যে শৃংখলাটোত ভাৰতীয় মহিলা দলটোৱে এতিয়ালৈ ৪ পইণ্ট লাভ কৰি আগবাঢ়ি আছে।

০০০০০০

দেশত বাল্যবিবাহ ৰোধৰ পদক্ষেপ সন্দৰ্ভত ৰাষ্ট্ৰীয় পৰ্যায়ৰ সংস্থাৰ জৰীপত অসমৰ শীৰ্ষস্থান লাভ, ৰাজ্যৰ বান পৰিস্থিতি সামান্য উন্নত হোৱা, ৰাজ্যৰ বহুকেইখন জিলাত জাপানীজ এনচেফেলাইটিছ ৰোগৰ প্ৰাদুৰ্ভাৱ, ৰাজ্য চৰকাৰে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পাঠ্যক্ৰম তথা প্ৰশ্নকাকতৰ আৰ্হি ঘোষণা কৰা, অষ্ট্ৰেলিয়া ভ্ৰমণৰ বাবে ঘোষণা কৰা ভাৰতীয় মহিলা এ দলত অসমৰ উমা চেত্ৰীৰ স্থান লাভ আদিকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ খবৰ বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

০০০০

দেশত বাল্য বিবাহ ৰোধ কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় পৰ্যায়ৰ দুটা সংস্থাই চলোৱা জৰীপ অনুসৰি অসমে বাল্য বিবাহ ৰোধৰ পদক্ষেপ লোৱাৰ ক্ষেত্ৰত শীৰ্ষস্থানৰ ৰাজ্য হিচাপে পৰিগণিত হৈছে। ইণ্ডিয়া চাইল্ড প্ৰটেকচন আৰু বাল্য বিবাহমুক্ত্ ভাৰত নামৰ সংস্থা দুটাই কৰা সমীক্ষাৰ যোৱাটো সপ্তাহত প্ৰকাশিত প্ৰতিবেদন অনুসৰি অসমত ৮১ শতাংশ বাল্য বিবাহ ৰোধ হৈছে। দেশৰ ভিতৰতে আদৰ্শ দাঙি ধৰা অসম চৰকাৰৰ আৰ্হি গ্ৰহণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে অন্য ৰাজ্যসমূহকো আহ্বান জনায়। নতুন দিল্লীত প্ৰকাশিত টুৱাৰ্ডছ জাষ্টিছ শীৰ্ষক প্ৰতিবেদনত অসমৰ বাল্য বিবাহৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা কঠোৰ নীতিৰ প্ৰশংসা কৰা হয়।

০০০০

ৰাজ্যৰ বান পৰিস্থিতিৰ যোৱাটো সপ্তাহত ভালেখিনি উন্নত হয়। চৰকাৰৰ তৰফৰ পৰা বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহত পৰ্যাপ্ত সামগ্ৰী তথা সেৱাৰ যোগান সুনিশ্চিত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে যোৱাটো সপ্তাহত পুনৰ নিৰ্দেশ দিয়ে। লগতে পৰিস্থিতি উন্নত হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰীয় ঘাইপথৰ কাজিৰঙা অংশৰ মাজেৰে যান-বাহন চলাচলৰ পুনৰ অনুমতি দিয়া হয়। বানৰ পাছত পশুধন তথা হাঁহ-কুকুৰাক ৰোগৰ পৰা ৰক্ষা পাবলৈ যাৱতীয়

নিৰীক্ষণ আৰু প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে কৃষি আৰু পশুপালন মন্ত্ৰী অতুল বৰাই পশুপালন বিভাগক নিৰ্দেশ দিয়ে।

০০০০

ৰাজ্য চৰকাৰৰ ১ লাখ নিযুক্তিৰ প্ৰতিশ্ৰুতি পূৰণৰ অংশ হিচাপে যোৱা সোমবাৰে দিছপুৰত ৪১গৰাকী প্ৰাৰ্থীক নিযুক্তি-পত্ৰ প্ৰদান কৰা হয়। ইয়াৰে ২২গৰাকীক উচ্চ শিক্ষা সঞ্চালকালয়ত, ১২গৰাকীক কাৰিকৰী শিক্ষা সঞ্চালকালয়ত আৰু ৭গৰাকীক ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদত নিযুক্তি দিয়া হয়।

০০০০০

যোৱাটো সপ্তাহতে ৰাজ্য চৰকাৰে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পাঠ্যক্ৰম আৰু প্ৰশ্নৰ আৰ্হি প্ৰকাশ কৰে। উভয় পৰীক্ষাতে প্ৰতিটো ভুল উত্তৰৰ বাবদ দশমিক ২৫ নম্বৰ কটা যাব বুলিও লগতে প্ৰকাশ কৰা হয়।

০০০০০

বানৰ পাছতেই ৰাজ্যৰ কেইবাখনো জিলাত যোৱাটো সপ্তাহত জাপানীজ এনচেফেলাইটিছ আৰু জাপানীজ এনচেফেলাইটিছ সদৃশ ৰোগৰ প্ৰাদুৰ্ভাৱ ঘটে। এই ৰোগত আক্ৰান্ত হৈ কেইবাজনো লোকে প্ৰাণ হেৰুওৱাৰ লগতে বহুকেইজনক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। স্বাস্থ্য বিভাগে বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহত স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা কৰাৰ লগতে সকলোকে সজাগ হ'বলৈ আহ্বান জনায়।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই যোৱা শুকুৰবাৰে আনুষ্ঠানিকভাৱে অমৃত বৃক্ষ আন্দোলন - ২.০ এপ মুকলি কৰে। অমৃত বৃক্ষ আন্দোলনৰ দ্বিতীয় সংস্কৰণত অহা ১ৰ পৰা ১০ আগষ্টলৈ ৰাজ্যত ৩ কোটি গছপুলি ৰোপণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ইয়াৰ লগতে ১ কোটি গছপুলি প্ৰতিষ্ঠাপনৰ বাবে সংৰক্ষিত ৰখা হ'ব বুলিও ড০ শৰ্মাই উল্লেখ কৰে।

০০০০

বৰাক উপত্যকাৰ তিনিওখন জিলাৰ উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি জিলাকেইখনত প্ৰতি মাহে দুজনকৈ মন্ত্ৰী তিনিদিন থাকিব বুলি যোৱা বৃহস্পতিবাৰে অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়।

০০০০০

অসমৰ উমা চেত্ৰীয়ে অষ্ট্ৰেলিয়া ভ্ৰমণৰ বাবে যোৱাটো সপ্তাহত ঘোষণা কৰা ভাৰতৰ মহিলা এ দলত স্থান লাভ কৰে। টি-২০, এদিনীয়া আৰু চাৰিদিনীয়া খেলৰ বাবে ঘোষণা কৰা দলত উমাই প্ৰথম পছন্দ উইকেটৰক্ষক বেটাৰ ৰূপে স্থান লাভ কৰে।

এয়াই আছিল বিগত সপ্তাহত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা মুখ্য বাতৰিসমূহৰ চমু অৱলোকন।

০০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান**ৰ অধীনত অসমৰ কেইবাখনো জিলাত কাৰ্যসূচী অব্যাহত আছে। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন জিলাত স্বাস্থ্য আৰু কৃষি বিভাগে বিভিন্ন সজাগতামূলক কাৰ্যসূচী

গ্ৰহণ কৰিছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মহিলা আৰু শিশুৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ দিশটো উন্নত কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। ইয়াৰ অংশ হিচাপে মূলতঃ প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুক মাতৃ দুগ্ধ পান কৰোৱাৰ প্ৰতি সজাগতা সৃষ্টিৰ দ্বাৰা শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে।

oooooo

সমাপ্ত